RNI REGN. No. : ASSASS/2019/...
epaper.asomaditya.com
Portal : www.asomaditya.com
e-mail : asomaditya@gmail.com


# অসম আদিত্য

**স্বাস্থ্য**

আমলখি স্বাস্থ্যৰ বাবে উপকাৰী। ইয়াত প্ৰচুৰ পৰিমাণে ভিটামিন 'চি' থকা বাবে ৰোগ প্ৰতিৰোধ ক্ষমতা বঢ়োৱাত সহায় কৰে। লগতে ছুপাৰফুড আমলখিৰ কেলচিয়ামে হাড় মজবুত কৰি ৰাখে।


২০ পুহ, ১৯৪৬ শক ■ দেওবাৰ, ৫ জানুৱাৰী, ২০২৫ ■ Asom Aditya, Dibrugarh, Sunday, January 5, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■ ডিব্ৰুগড় সংস্কৰণ


ঙা

ইকীয়া

সী

ক্ৰাৰ প্ৰৱণতা
য়। অৱশ্যে
ই হোৱা বুলি
ৰ পৰা মানুহৰ
মাজে শুনাৰ
ics শব্দটোৰ

## চিকিৎসা প্ৰত্যাখ্যান ঃ কেঞ্চাৰ ৰোগী ডাল্লেৱালৰ নেতৃত্বত অচল দেশ



# কৃষক আন্দোলনৰ ৰুদ্ৰৰূপ কেন্দ্ৰীয় চৰকাৰক শেষ সকীয়নি

নতুন দিল্লী, ৪ জানুৱাৰী ঃ কেঞ্চাৰ ৰোগীৰ অনশনে জোকাৰি পেলাইছে ৰাষ্ট্ৰীয় ৰাজনীতি। কৃষকৰ ন্যায্য প্ৰাপ্য আদায় কৰিবলৈ জগজিৎ সিং ডাল্লেৱালৰ দীঘলীয়া ভোক হৰতালে দেশৰ এটা প্ৰান্ত স্থবিৰ কৰি তুলিছে। ফচলৰ ন্যূনতম সমৰ্থন দামৰ আইন প্ৰণয়ন আৰু সংসদৰ ষ্টেণ্ডিং কমিটীৰ সিদ্ধান্ত কাৰ্যকৰী নকৰা পৰ্যন্ত অনশন কৰিবলৈ তেওঁ মনস্থ কৰিছে। সংযুক্ত কিষাণ মৰ্চা (অৰাজনৈতিক)ৰ সমন্বয়ক ডাল্লেৱালে প্ৰত্যাখ্যান কৰিছে চিকিৎসা। ৬ পৃষ্ঠাত

কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ পদক্ষেপ

## জয়ন্ত বৰুৱালৈ হাছান ছৰিফ আহমেদ বঁটা



ডিব্ৰুগড়, ৪ জানুৱাৰী ঃ ৮০ বছৰ পূৰ্ণ কৰা ঐতিহাসিক ডিব্ৰুগড়স্থ ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ ৬ পৃষ্ঠাত

# অসম আদিত্য

২০ পুহ, ১৯৪৬ শক ■ দেওবাৰ, ৫ জানুৱাৰী, ২০২৫ ■ Asom Aditya, Dibrugarh, Sunday, January 5, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা

গগৈ চৰকাৰৰ শেষৰ বছৰলৈ (১৯৪৭-৩১ মাৰ্চ, ২০১৬ চনলৈ) স্বাধীনতাৰ এই ৬৯ বছৰত অসমৰ মুঠ ধাৰ আছিল ৪১,৯৬৪ কোটি টকা। সৰ্বানন্দ সোনোৱাল চৰকাৰৰ কাৰ্যকালত (২০১৬-২১) ৫ বছৰত বিজেপি চৰকাৰে ধাৰ ল'লে ৪৭,৭৪৫ কোটি টকা। হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ তিনি বছৰীয়া কাৰ্যকালত (১ এপ্ৰিল, ২০২১ৰ পৰা ৩১ মাৰ্চ, ২০২৪) তিনি বছৰ ধাৰ ল'লে ৬১.১৯১ কোটি টকা। স্বাধীনতাৰ ৬৯ বছৰত অসম চৰকাৰে লোৱা মুঠ ধাৰৰ পৰিমাণ ৪১,৯৬৪ কোটি টকাৰ বিপৰীতে বিজেপি চৰকাৰৰ মাত্ৰ ৮ বছৰীয়া কাৰ্যকালত ধাৰ ল'লে ১,০৮,৯৩৬ কোটি টকা। এনেদৰে বিজেপি চৰকাৰে অসমক ঋণৰ বোজাৰে পুতি পেলালে আৰু ৩১ মাৰ্চ, ২০২৪ পৰ্যন্ত অসমৰ প্ৰতিজন মানুহৰ গড় জনমূৰি ধাৰ ৩৭ হাজাৰ টকাতকৈ অধিক বৃদ্ধি পালে। সংবাদমেলত অখিল গগৈয়ে অসমৰ প্ৰবীণ কবি বলদেৱ মহন্তৰ 'কাৰ সুখ নাই' কবিতা পাঠ কৰি কয় যে, সুখ নাই সুখ নাই ক'তো ধাৰুৱাৰ, অণুমাত্ৰ সুখ নাইচিৰ ৰুগীয়াৰ। অখিল গগৈয়ে কয় যে, কবি বলদেৱ মহন্তৰ কবিতাৰ এই পংক্তি হিমন্ত বিশ্ব শৰ্মাই পাহৰিলে। অসমৰ মুখ্যমন্ত্ৰীয়ে এতিয়া চাৰ্বাচ দৰ্শনত বিশ্বাস কৰে। অৰ্থাৎ ধাৰ কৰি ঘিঁউ-মৌ খোৱাৰ দৰ্শনত বিশ্বাসী হিমন্ত বিশ্ব শৰ্মা। যাৱৎ জীৱেৎ সুখং জীৱেৎ ঋণং কৃত্বা ঘৃতং পীবেৎ এই দৰ্শনত বিশ্বাস কৰে। সংবাদমেলত অখিল গগৈয়ে কয় যে, অসমৰ ইতিহাসত সৰ্বাধিক পৰিমাণ ধাৰ লোৱাৰ পিছতো হিমন্ত বিশ্ব শৰ্মা চৰকাৰে অসমীয়া মানুহৰ প্ৰকৃত কল্যাণ সাধন কৰিব পৰা নাই। ভাৰতৰ

## জয়ন্ত বৰুৱালৈ হাছান ছৰিফ আহমেদ বঁটা

ছাত্ৰ একতা সভাৰ উদ্যোগত বিগত বৰ্ষসমূহৰ দৰে প্ৰগতিশীল সাংস্কৃতিক সৈনিক, সমন্বয়ৰ প্ৰতীক, নটসূৰ্য বঁটাপ্ৰাপক, কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু সাধাৰণ সম্পাদক, শিল্পী পেঞ্চনাৰ হাছান ছৰিফ আহমদৰ নামত প্ৰদান কৰি অহা 'হাছান ছৰিফ আহমদ সমন্বয় বঁটা' এইবাৰ প্ৰদান কৰিব সাদিন-প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষ, অসমীয়া প্ৰতিদিন কাকতৰ সম্পাদক জয়ন্ত বৰুৱাক। কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত ২০ জানুৱাৰীৰ পুৱা ১০ বজাত অনুষ্ঠিত হ'বলগীয়া গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বৰুৱাক সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য বৰঙনিৰ স্বীকৃতি স্বৰূপে এই বঁটা প্ৰদান কৰা হ'ব। উল্লেখ্য যে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এনে এজন বিশিষ্ট তথা বৰেণ্য ব্যক্তিক এই বঁটা প্ৰদান কৰিবৰ বাবে নিৰ্বাচিত কৰাত ছাত্ৰ একতা সভাৰ সভাপতি প্ৰাঞ্জল তাঁতী, সাধাৰণ সম্পাদক চিন্ময় কলিতাৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে ছাত্ৰ একতা সভাৰ উদ্যোগত 'হাছান ছৰিফ আহমদ সমন্বয় বঁটা' ২০২০ বৰ্ষৰ পৰা শিক্ষা, সংস্কৃতি, সাহিত্যৰ লগতে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ অনবদ্য বৰঙনি আগবঢ়োৱা ব্যক্তিসকলক প্ৰদান কৰি আহিছে। সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য বৰঙনিৰ স্বীকৃতি স্বৰূপে পোনপ্ৰথমবাৰৰ বাবে ছাত্ৰ একতা সভাই মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক এই বঁটা প্ৰদান কৰাৰ পৰৱৰ্তী সময়ত শৈক্ষিক ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য বৰঙনিৰ স্বীকৃতি স্বৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডীন অব ছায়েঞ্চ ড° যোগেন চন্দ্ৰ কলিতা, অভিনয় জগতলৈ আগবঢ়োৱা অনবদ্য বৰঙনিৰ স্বীকৃতি স্বৰূপে জনপ্ৰিয় অভিনেতা বিষ্ণু খাৰঘৰীয়া, শিক্ষা, সংস্কৃতিৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অমূল্য বৰঙনিৰ স্বীকৃতি স্বৰূপে শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীক এই বঁটা প্ৰদান কৰিছিল। এইবাৰ বিশিষ্ট প্ৰকাশক, সাংবাদিক, সাদিন-প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষ, অসমীয়া প্ৰতিদিন কাকতৰ সম্পাদক, বিশিষ্ট সমাজকৰ্মী জয়ন্ত বৰুৱাক এই বঁটা প্ৰদান কৰিবৰ বাবে নিৰ্বাচন কৰা বুলি কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি প্ৰাঞ্জল তাঁতী আৰু সাধাৰণ সম্পাদক চিন্ময় কলিতাই জানিবলৈ দিছে। ইতিমধ্যে ছাত্ৰ একতা সভাই প্ৰেৰণ কৰা পত্ৰক সন্মান জনাই বৰুৱাই এক পত্ৰযোগে বঁটা গ্ৰহণ কৰাৰ সন্মতি প্ৰদান কৰিছে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাৰ লগতে চহৰখনৰ কেইবাজনো গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব বুলিও জানিব পৰা গৈছে।

দেশ

## ৰুদ্ৰৰূপ

## ষ সকীয়া

ামৰ আইন প্ৰণয়ন আৰু সংসদৰ
কাৰ্যকৰী নকৰা পৰ্যন্ত অনশন ব
ছ। সংযুক্ত কিষাণ মৰ্চা (অৰাজনৈ
লে প্ৰত্যাখ্যান কৰিছে চিকিৎসা।

হাম যুৱ প

ৱাল প